**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-SEP-2026
**Time :** 12.05 PM

# ASSAMESE 12.05 PM BULLETIN

——————————————————————————

১। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্যগ্ৰহণ অব্যাহত।

৩। আজি বিশ্ব অ'জন দিৱস। ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিলৈ ২০২৫ বৰ্ষৰ পৰিৱেশ মিত্ৰ সন্মান।

**আৰু**

৪। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত কাইলৈ ভাৰত আৰু আফগানিস্তানৰ মাজৰ টী-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

oooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, প্ৰাক্তন বিধায়ক শিৱামণি বৰা আৰু এ আই ই ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে কিছু সময়ৰ পাছত মনোনয়ন দাখিল কৰিব। বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মাই ভালেসংখ্যক দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলাৰ ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰিব।

কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰিব। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাত বিৰোধী পক্ষৰ নেতা ৰাজেদ আলী চৌধুৰী, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকিব। ইপিনে, এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও আজি মনোনয়ন পত্ৰ দাখিল কৰিব। তেওঁ ধিং গে'টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰিব। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচিৰ আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিব। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামে কিছু সময়ৰ পূৰ্বে মনোনয়ন পত্ৰ দাখিল কৰিছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্যগ্ৰহণ অব্যাহত আছে। সাক্ষ্য প্ৰদানৰ বাবে আজি প্ৰবাসী অসমীয়া দেৱজিৎ হাজৰিকা ইতিমধ্যে আদালতত হাজিৰ হৈছে। আদালতৰ মজিয়াত হাজৰিকাৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ইতিপূৰ্বে ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মা, সুস্মিতা গোস্বামী আৰু প্ৰতিম লহকৰে সাক্ষ্য প্ৰদান কৰিছে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হ’ব। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন দিৱস উদযাপন কৰা হ’ব। কাইলৈ সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, পৰহিলৈ সাংস্কৃতিক অনুষ্ঠান, ১৯ ছেপ্তেম্বৰত গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হ’ব।

০০০০০০

নগাঁও জিলাৰ জখলাবন্ধাৰ কলিয়াবৰ মহকুমাৰ অসামৰিক চিকিৎসালয়ত নিৰ্মীয়মান ১৫০ খন বিছনাযুক্ত নতুন শাখাৰ সম্প্ৰসাৰণমূলক কাম-কাজ অহা বছৰ সম্পূৰ্ণ হ’ব। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কালি নিৰ্মীয়মান শাখাটোৰ কাম-কাজ পৰিদৰ্শন কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অহা ১৫ৰ পৰা ১৮ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰি ৰাইজৰ বাবে উৎসৰ্গা কৰা হ’ব। নতুনকৈ নিৰ্মাণ হ’বলগীয়া শাখাটোত শিশুৰ বাবে আই চি ইউকে ধৰি ভালেমান সুবিধা থাকিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**বাইট (অশোক সিংহল)**

স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কালি চিকিৎসালয়খনৰ চিকিৎসক আৰু প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰি সাম্প্ৰতিক চিকিৎসা সেৱাৰ স্থিতি পৰ্যালোচনা কৰে।

০০০০০০

আজি বিশ্ব অ’জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে – ‘শীতল ধৰিত্ৰীৰ বাবে বিশ্বজনীন ব্যৱস্থা’। বিশ্বৰ বিভিন্ন ঠাইৰ লগতে অসমতো এই দিৱস পালন কৰা হৈছে। অ’জন স্তৰৰ সুৰক্ষা আৰু সেউজ অসম গঢ়াৰ লক্ষ্যৰে শক্তি ৰাহি কৰা সঁজুলি ব্যৱহাৰ, এচি-ফ্ৰীজ আদিৰ নিয়মীয়া মেৰামতি আৰু চৌহদত গছপুলি ৰোপণৰ বাবে সকলোকে সজাগ-সচেতন কৰিবলৈ গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিক ২০২৫ বৰ্ষৰ পৰিৱেশ মিত্ৰ সন্মানৰে বিভূষিত কৰা হ’ব। এই ব্যক্তি কেইগৰাকীৰ ভিতৰত অৰূপ শাণ্ডিল্য, অমৰজ্যোতি কাশ্যপ, ৰাজীৱ ৰুদ্ৰ তাৰিয়াং, ডঃ বিভৱ কুমাৰ তালুকদাৰ আৰু ডঃ পৰাগজ্যোতি ডেকা আছে। পৰিৱেশ সংৰক্ষণ আৰু মানৱ কল্যাণৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতিস্বৰূপে এই ব্যক্তিকেইগৰাকীক পৰিৱেশ মিত্ৰ সন্মানৰ বাবে বাছনি কৰা হৈছে।

০০০০০০

মিজোৰামত জৈৱিক খেতি প্ৰসাৰৰ ওপৰত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যখনত কৃষি উৎপাদন বৃদ্ধি আৰু থলুৱাভাৱে উৎপাদিত সামগ্ৰীসমূহে বহিঃৰাজ্যত বজাৰ লাভ কৰিব পৰাকৈ জৈৱিক খেতিৰ ওপৰত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কালি আইজলত উপস্থিত হৈ ছাইটুৱাল জিলাত বিভিন্ন চৰকাৰী বিভাগৰ শীৰ্ষ বিষয়া আৰু ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে মিজোৰামত জৈৱিক খেতিৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে আৰু ৰাজ্যখনে উচিত ব্যৱস্থাৰে কৃষি আৰু

উদ্যান শস্যসমূহৰ পেকেজিঙৰ জৰিয়তে বহিঃৰাজ্যলৈ ৰপ্তানি কৰিব পাৰে। তেওঁ চৰকাৰী বিষয়াসকলৰ উপৰি স্থানীয় লোকসকলক এই বিষয়টো গুৰুত্ব সহকাৰে লৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ সুবিধা যোগ্যজনে পোৱাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ ৰাজ্যখনৰ ক্ৰীড়া মন্ত্ৰী লালিংল'ভা মা'ৰৰ সৈতে আলোচনাত মিলিত হয়। মিজোৰামৰ ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে বিদ্যালয় পৰ্যায়তে শিক্ষাৰ্থীসকলৰ ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে যুৱ প্ৰজন্মক চৰকাৰৰ মেৰা যুৱ ভাৰত কাৰ্যসূচীৰ অধীনত মাদকদ্ৰব্য বিৰোধী অনুষ্ঠানত অংশ ল'বলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে আজি ছাইটুৱালৰ কলাছিৰত চৰকাৰী বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত বিনিময় কৰিব। তেওঁ আইজললৈ উভতি যোৱাৰ পূৰ্বে ছাইটুৱাল জিলা চিকিৎসালয়খনো পৰিদৰ্শন কৰিব।

oooooo

বজালী জিলাৰ পাঠশালাৰ জ্যোতিনগৰৰ দীপজ্যোতি পাটগিৰিয়ে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা-নাছাৰ অধীনস্থ গ'ডাৰ্ড স্পেচ ফ্লাইট চেণ্টাৰত প'ষ্ট ডক্টৰেল গৱেষক হিচাপে গৱেষণাৰ সুযোগ লাভ কৰিছে। ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ পাটগিৰি আৰু শিক্ষয়িত্ৰী ৰমনী পাটগিৰিৰ পুত্ৰ দীপজ্যোতিয়ে বজালীত একাদশ শ্ৰেণীলৈকে শিক্ষাগ্ৰহণ কৰাৰ পাছত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ আই আই টি ৰুড়কিত গৱেষণাৰ কাম সম্পন্ন কৰে। নাছাৰ অধীনত এই সুযোগ লাভ কৰা দীপজ্যোতিৰ সাফল্যই বজালীবাসীক উৎসাহিত কৰিছে। এই সফলতা সন্দৰ্ভত দীপজ্যোতি পাটগিৰিয়ে এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

**বাইট (দীপজ্যোতি পাটগিৰি)**

oooooo

কেন্দ্ৰীয় চৰকাৰৰ পেটেণ্ট কাৰ্যালয়ে তেজপুৰ বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ ৰবীন কুমাৰ দত্ত আৰু প্ৰাক্তন ছাত্ৰ ডঃ ৰিতুপৰ্ণ শইকীয়াৰ গৱেষণালব্ধ VALUE ADDED CATTLE URINE AS LIQUID FERTILIZER শীৰ্ষক উদ্ভাৱনৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়ৰ নামত পেটেণ্ট প্ৰদান কৰিছে। এই উদ্ভাৱনত গৰুৰ প্ৰস্ৰাৱক মূল্য সংযোজন কৰি তৰল সাৰ হিচাপে কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰাৰ সম্ভাৱনাক গুৰুত্ব দিয়া হৈছে।

oooooo

চৰাইদেউ আৰু শিৱসাগৰ জিলাত পৰহিলৈ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হ'ব। জিলা দুখনত মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। চৰাইদেউ আৰু শিৱসাগৰ জিলাত বানৰ পৰিপ্ৰেক্ষিতত লোকপিয়লৰ কাম সাময়িকভাৱে স্থগিত আছিল। লোকপিয়ল সঞ্চালকালয়ে বান পৰিস্থিতি উন্নত হোৱাৰ পাছত জিলা দুখনত লোকপিয়লৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব।

oooooo

নগাঁও জিলাত এইমাহত হ'বলগীয়া ছয়মাহিলী পৰীক্ষা পিছুৱাই দিয়া হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পৰিষদে প্ৰকাশ কৰা মতে জিলাখনৰ উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ এইমাহত হ'বলগীয়া নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছয়মাহিলী পৰীক্ষা পিছুৱাই

দিয়া হৈছে। নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছয়মাহিলী পৰীক্ষাৰ তাৰিখ পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব বুলি পৰিষদে প্ৰকাশ কৰিছে।

০০০০০০

নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি নিশা ভাৰতে আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰি তিনিখন খেলৰ শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ১৬০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১৪ অভাৰ ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। সঞ্জু চেমছনে ২২টা বলত সৰ্বাধিক ৫৭ ৰান কৰে আৰু অভিষেক শৰ্মাই ১৯টা বলত ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে বেট ধৰি আফগানিস্তানে নিৰ্দিষ্ট ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰিছিল। দলটোৰ অধিনায়ক ইব্ৰাহিম জাদ্ৰানে সৰ্বাধিক স্ক'ৰাৰ হিচাপে ৩৩টা বলত ৩৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শ্বদীপ সিঙে দুটা উইকেট দখল কৰে। ৰেড্ডীক খেলখনৰ প্লেয়াৰ অৱ দা মেচ হিচাপে নিৰ্বাচিত কৰা হয়। কাইলৈ দিল্লীৰ একেখন ষ্টেডিয়ামতে শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**